**14 (ASM–3) 3106**

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–3106

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়া ঃ ১×১০=১০

(ক) অসমীয়া ভাষাত মূলীয় স্বৰৰ সবাতোকৈ নিম্নতম ধ্বনি কোনটো ?

(খ) অসমীয়া ভাষাৰ অঘোষ পশ্চতালব্য উষ্ম ধ্বনি বুজাবলৈ আন্তৰ্জাতিক ধ্বনিলিপি (IPA)-ত কি প্ৰতীক ব্যৱহাৰ কৰা হয় ?

(গ) বিশ্বজনীন ব্যাকৰণ (Universal Grammar)-ৰ ধাৰণাটো কোনে উত্থাপন কৰিছিল ?

(ঘ) Syntactic Structures গ্ৰন্থখন কেতিয়া প্ৰকাশিত হৈছিল ?

*Contd.*

(ঙ) 'আৰু' শব্দটো কি শ্ৰেণীৰ প্ৰাকৃতি ?

(চ) অসমীয়া ভাষাত কেনে ৰূপৰ লিংগ নিৰ্ণীত হয় ?

(ছ) 'অতুলে কিতাপ পঢ়িছে।' — ইয়াত কৰ্মপদৰ বাবে কি চিন ব্যৱহৃত হৈছে ?

(জ) কোনো শব্দ বিশেষৰ পৰা উৎপন্ন হোৱা ইংগিতাৰ্থক কোন শ্ৰেণীৰ ইংগিতাৰ্থ বুলি কোৱা হয় ?

(ঝ) 'ৰামৰ গাড়ীখন নতুন'— ইয়াত কি ধৰণৰ প্ৰাক্‌ধাৰণা (Presupposition) জড়িত হৈ আছে ?

(ঞ) 'অসমীয়া ভাষাত শ্বাসাঘাত বিশিষ্ট ধ্বনি হয়নে ?

২। চমু উত্তৰ দিয়া ঃ ২×১০=২০

(ক) বিন্যাস সূত্ৰমতে, বাক্যৰ অৰ্থ *কোন দুটা* বিষয়ৰ ওপৰত নিৰ্ভৰশীল ?

(খ) কথোপকথন মূলক ইংগিতাৰ্থৰ লগত জড়িত হৈ থকা *যিকোনো দুটা* সহযোগিতাৰ নীতিৰ কথা উল্লেখ কৰা।

(গ) ভাষাৰ *যিকোনো চাৰিটা* উপাহিত ধ্বনিৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ সংবৃতৌষ্ঠ স্বৰধ্বনি কেইটা আৰু কি কি ?

(ঙ) বাক্য ৰূপান্তৰকৰণৰ *দুটা* প্ৰক্ৰিয়াৰ নাম লিখা।

(চ) দ্বিকৰ্মক ক্ৰিয়া কাক বোলে ? *এটা* উদাহৰণ দিয়া।

(ছ) অসমীয়া ভাষাত একবচন নিৰ্দেশ কৰাৰ *দুটা* উপায় লিখা।

(জ) অসমীয়া ভাষাত অপাদান কাৰক আছেনে ? যদি আছে এই কাৰক নিৰ্দেশৰ উপায় কি ?

(ঝ) নিয়ত ধ্বনি কাক বোলে ? এটা উদাহৰণ দিয়া।

(ঞ) উৎপাদক ব্যাকৰণত শব্দক 'পদ' হিচাপে নিৰ্দেশ কৰাৰ চৰ্ত্ত *দুটা* কি কি ?

৩। চমুকৈ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমীয়া ভাষাৰ সন্ধি সম্পৰ্কে *এটি* চমুটোকা লিখা।

(খ) ব্যৱহাৰিক শ্ৰেণী (Functional Categories) বুলিলে কি বুজা ?

(গ) বাক্যৰ আভ্যন্তৰীণ গঠন (Deep Structure) আৰু বহিৰ্গঠন (Surface Structure) মানে কি ? চমুকৈ লিখা।

(ঘ) অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয় – এই সন্দৰ্ভত এটি চমুটোকা প্ৰস্তুত কৰা।

(ঙ) প্ৰত্যয় আৰু বিভক্তিৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(চ) ভাষা ব্যৱহাৰকাৰীয়ে কেনেধৰণে তেওঁৰ ভাবনাক প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে ?

(ছ) প্ৰাক্ধাৰণা (Presupposition) সম্পৰ্কে এটি টোকা যুগুত কৰা।

৪। ৰচনাধৰ্মী উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) উষ্ম ধ্বনি কাক বোলে ? অসমীয়া ভাষাৰ উষ্ম ধ্বনিসমূহৰ উপধ্বনিৰ বিষয়ে বিশ্লেষণ কৰা।

(খ) ইংগিতাৰ্থ বুলিলে কি বুজা ? বক্তাৰ ভাবক যথাযথৰূপত প্ৰকাশ কৰি যোগাযোগ সফল হোৱাত ইংগিতাৰ্থই কিদৰে সহায় কৰে ?

(গ) আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয় পদ্ধতি সম্পৰ্কে অসমীয়া ভাষাৰ সমলৰ আধাৰত বিশ্লেষণ কৰা।

(ঘ) অসমীয়া ভাষাৰ ক্ৰিয়াৰ সৈতে জড়িত হৈ থকা ব্যাকৰণিক শ্ৰেণীসমূহ ফঁহিয়াই দেখুওৱা।

(ঙ) খণ্ডবাক্য গঠনৰ নিয়ম কি ? এই নিয়মৰ আধাৰত অসমীয়া ভাষাৰ বাক্য কিদৰে বিশ্লেষণ কৰিব পাৰি ? উদাহৰণসহ দেখুওৱা।

---